# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-02-2025
**Time:** 2125 Hrs

## *Assamese Night Bulletin*

**- - - - - - - - - - - - - -**

ooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ভাগ লোৱাৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ এটা প্ৰতিনিধি দল আজি অসমত উপস্থিত হৈছে। যোৰহাটৰ ৰৰৈয়া বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত ড০ জয়শংকৰক ৰাজ্যৰ মন্ত্ৰী অতুল বৰা, বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আদৰণি জনায়।

জাপান, দক্ষিণ কোৰিয়া, থাইলেণ্ড, ছিংগাপুৰ, অষ্ট্ৰেলিয়া, জাৰ্মানী, ইটালী, ভূটানকে ধৰি ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধি দলটো আজি বিশেষ বিমানেৰে যোৰহাটত উপস্থিত হোৱাৰ পাছত কেইবাখনো বাছেৰে তেওঁলোক কাজিৰঙালৈ ৰাওনা হয়। দলটোৱে কাইলৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত হাতী ছাফাৰী আৰু জীপ ছাফাৰী কৰিব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে আজি মন্ত্ৰীসভাৰ বৈঠকত অংশ লোৱাৰ লগতে বিভিন্ন জিলাৰ আয়ুক্তৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলক সংশ্লিষ্ট জিলাসমূহত সন্মিলনৰ অংশ হিচাপে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাত সহায় কৰিবলৈ আহ্বান জনায়। এই সন্মিলনৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাকে ধৰি সকলো দিশতে উপযুক্ত ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীয়ে বৈঠকত নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, এই অনুষ্ঠানৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে অন্য জিলাৰ আৰক্ষী কৰ্মীক গুৱাহাটীলৈ অনা হৈছে আৰু জ্যেষ্ঠ বিষয়াসকলে অহৰ্নিশে কাম কৰি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেবিনেট মন্ত্ৰী, বিশিষ্ট উদ্যোগপতি আৰু ৰাষ্ট্ৰদূতসকলৰ ভ্ৰমণলৈ চাই অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সন্মিলনস্থলীৰ ভিতৰত আৰক্ষীৰ ইউনিফৰ্ম পৰিহিত কোনো কৰ্মী নাথাকে যদিও সুৰক্ষা কৰ্মীসকলে বাহিৰৰ পৰাই অনুমতিপ্ৰাপ্ত লোকৰ প্ৰৱেশ সুনিশ্চিত কৰিব। প্ৰতিনিধিসকলক ৰাষ্ট্ৰীয় ঘাইপথেৰে অনুষ্ঠান স্থলীলৈ অনা হ'ব যাতে গুৱাহাটীৰ ভিতৰত যান-বাহনৰ চলাচল বিশেষভাৱে প্ৰভাৱিত নহয়।

এই সন্মিলনত ভাগ লোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ ৰাজ্যখনত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ ঝুমুৰ নৃত্যৰ অনুষ্ঠান উপভোগ কৰাৰ পাছত এডভাণ্টেজ আছাম সন্মিলনৰ দুখন প্ৰদৰ্শনী উদ্বোধন কৰিব। পৰহিলৈ শ্ৰীমোদীয়ে এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ মূল কাৰ্যসূচী শুভাৰম্ভ কৰিব। কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে এই অনুষ্ঠানৰ অংশ হিচাপে কমেও পাঁচখন গুৰুত্বপূৰ্ণ আলোচনা সত্ৰত অংশ লোৱাৰ কথা। এই সন্মিলনে ৰাজ্যখনত উন্নয়ন বৃদ্ধিৰ লগতে ঔদ্যোগিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত ইতিবাচক পৰিৱেশৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে।

০০০০০

বাক্সা জিলাৰ জলাগাঁৱত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জিলা সাহিত্য সভাৰ দশম দ্বিবাৰ্ষিক অধিবেশনৰ আজি সামৰণি পৰে। এই উপলক্ষে আজি পুৱা সাহিত্য সভাৰ পতাকা উত্তোলন, স্মৃতি তৰ্পন আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছতে জিলাৰ নৱনিৰ্বাচিত সভাপতি জামিনী দাস তালুকদাৰক লৈ এটা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। আজিৰ মুকলি সভাত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই জিলা সাহিত্য সভাৰ মুখপত্ৰ **বাক্সা জ্যোতি** উন্মোচন কৰে।

০০০০০

সদৌ অসম সাংবাদিক সন্থা যোৰহাট জিলা সমিতি আৰু সাংবাদিক কল্যাণ নিধিৰ উদ্যোগত ২০২৫ বৰ্ষৰ দেৱ কুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেলোশ্বিপৰ বাবে আবেদনৰ আহ্বান কৰা হৈছে। ২০২৩ বৰ্ষৰ পৰা প্ৰদান কৰি অহা এই মিডিয়া ফেলোশ্বিপৰ বাবে ৰাজ্যত কৰ্মৰত ছপা, ইলকেট্ৰনিক আৰু সংবাদ গোষ্ঠীসমূহৰ সাংবাদিকসকলে আবেদন কৰিব পাৰে। ন্যূনতম অৰ্হতা স্নাতক হোৱাৰ লগতে সাংবাদিকতা কৰ্মত কমেও ১০ বছৰ অভিজ্ঞতাৰ লগতে ৰাজ্যৰ তথ্য আৰু জনসংযোগ বিভাগৰ স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব। আগ্ৰহীসকলে অহা ১৫ এপ্ৰিলৰ ভিতৰত আবেদন প্ৰপত্ৰ জমা দিব লাগিব। তেওঁলোকে লগতে মোবাইল নম্বৰ ৮৬৩৮১-০২৩৭১ আৰু ৮৬৩৮৩-৬৬৭৫৬ নম্বৰত যোগাযোগ কৰিব পাৰিব।

০০০০০

দৰং জিলাৰ মঙলদৈৰ এটা অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান জীপচি গীল্ডৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ আয়োজিত গল্প নাটক অনুষ্ঠানৰ আজি সামৰণি পৰে। আজি সামৰণিৰ দিনা নিৰুপম ডেকাৰ পৰিচালনাত অপু ভৰদ্বাজৰ দ্বাৰা ৰচিত মূল গল্প **যা গৈ আছো**ৰ আধাৰত **কিউ** নামৰ এখন নাটক মঞ্চস্থ কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আজি সংবাদ চলন্তিকা অনুষ্ঠানত গুৱাহাটী মহানগৰীত জীৱন সংগ্ৰামচলাই থকা লোকসকলৰ মনৰ বতৰা লোৱা হয়। ৰাজীৱ লোচন বৰঠাকুৰৰ প্ৰযোজনা আৰু উপস্থাপপন কৰা অনুষ্ঠানটোত তথাকথিত সৰু সৰু লোকসকলে তেওঁলোকৰ জীৱন সংগ্ৰামৰ বিষয়ে অৱগত কৰে।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফীৰ আজি ডুবাইত অনুৰ্ষ্ঠিত  খেলখনত পাকিস্তানে ভাৰতক জয়ৰ বাবে ২৪২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। ভাৰতে আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৩৭ অভাৰত ২ উইকেটৰ বিনিময়ত ২০১ ৰাণ সংগ্ৰহ কৰিছে।

টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লোৱা পাকিস্তানে ৪৯ অভাৰ ৪ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪১ ৰাণ কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে তিনিটা, হাৰ্দিক পাণ্ডিয়াই দুটা তথা হৰ্ষিত ৰাণা, অক্ষৰ পেটেল আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট দখল কৰে।

০০০০০

সমাপ্ত